# প্ৰধান মন্ত্ৰীৰ ষ্টেট কাউন্সিল অৱ পি’পলচ ৰিপাব্লিক অৱ চীনৰ প্ৰধান মন্ত্ৰী শ্ৰী লি কেকিয়াঙৰ সৈতে ফোন যোগে বাৰ্তালাপ কৰে ।

মে ২৯,২০১৪

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আবেলি ষ্টেট কাউন্সিল অৱ পি’পলচ ৰিপাব্লিক অৱ চীন চৰকাৰ প্ৰমুখ মহামান্য শ্ৰী লি কেকিয়াঙৰ সৈতে পাছৰ গৰাকী নেতাই গ্ৰহন কৰা তৎতপৰতাত ফোন যোগে বাৰ্তালাপ কৰে ।প্ৰধানমন্ত্ৰী লিয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সদ্যসমাপ্ত সাধাৰন নিৰ্বাচনত হোৱা বিজয়ৰ বাবে অভিনন্দন জ্ঞাপন কৰে আৰু দুয়োখন দেশৰ মাজত থকা সম্পৰ্কৰ অধিক উন্নতিৰ বাবে নতুন চৰকাৰ খনৰ সৈতে অতি শক্তিশালি অংশীদাৰিত্ব স্থাপন কৰাৰ ইচ্ছা প্ৰকাশ কৰে ।

প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁক জনোৱা সম্ভাষন বাৰ্তাৰ বাবে প্ৰধানমন্ত্ৰী লিক ধন্যবাদ জ্ঞাপন কৰে । উল্লেখ কৰে যে ভাৰতৰ বৈদেশিক নীতিৰ ক্ষেত্ৰত চীনৰ প্ৰাধ্যনতা সদায়েই বেছি । তেওঁ গুৰুত্ব সহকাৰে উল্লেখ কৰে যে তেওঁৰ চৰকাৰে আমাৰ চীনৰ সৈতে থকা ৰণনীতি বিষয়ক আৰু সহযোগিতাৰ অংশীদাৰিত্বৰ সম্ভাৱনাক সম্পূৰ্ণৰূপে ব্যৱহাৰ কৰাৰ বাবে আগৰনুৱা ।তাৰোপৰি দুয়োদেশৰ দ্বিপাক্ষীক সম্বন্ধৰ ক্ষেত্ৰত  অসম্পূৰ্ণ হৈ থকা যিকোনো বিষয়ৰ সম্পূৰ্ণ কৰাৰ বাবে  আমাৰ দ্বিপাক্ষীক সম্বন্ধৰ ৰণনীতিৰ দিশৰ প্ৰক্ৰিয়াৰ জৰিয়তে আমাৰ বিকাশৰ লক্ষ্য সমূহ আৰু আমাৰ জনসাধাৰনৰ বাবে দীৰ্ঘম্যাদী লাভালাভৰ বাবে  তেওঁ চীনৰ নেতৃত্বৰ সৈতে অতি নিকটভাৱে কাম কৰিবলৈ ইচ্ছুক  বুলি উল্লেখ কৰে ।

দুয়োখন দেশৰ মাজত অধিকতম অৰ্থনৈতিক সম্বন্ধৰ প্ৰসংগক তেওঁ আদৰনি জনাইছে ।

দুয়োগৰাকী নেতাই সঘনে উচ্চস্তৰীয় যোগাযোগ আৰু মতবিনিময় নিয়মিত ভাৱে কাৰ্য্যকৰী কৰিবলৈ ঐক্যমত হয় ।প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰধানমন্ত্ৰী লিৰ জৰিয়তে চীনৰ ৰাষ্ট্ৰপতি হি জিনপিঙলৈ এই বছৰৰ পাছৰ ফালে ভাৰত ভ্ৰমন কৰিবলৈ আমন্ত্ৰন জনাই ।

ভাৰতৰ প্ৰধানমন্ত্ৰী হিচাপে কাৰ্য্যভাৰ গ্ৰহন কৰাৰ পাছত চীনৰ প্ৰধানমন্ত্ৰীৰ সৈতে টেলিফোন যোগে হোৱা বাৰ্তালাপ হৈছে প্ৰধানমন্ত্ৰী মোদীৰ প্ৰথম বিদেশী নেতৃত্বৰ সৈতে হোৱা কথোপকথন ।

নতুন দিল্লী

মে ২৯,২০১৪